Total number of printed pages–7

**63/1 (SEM–5) DSE2/ASMHE5026**

**2023**

**ASSAMESE**

Paper : ASMHE5026

***(Introduction to Assamese Grammar)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থখনৰ ৰচক হ'ল

*(i)* উপেন্দ্ৰনাথ গোস্বামী

*(ii)* কালিৰাম মেধি

*(iii)* গোলোকচন্দ্ৰ গোস্বামী

*(iv)* দেৱানন্দ ভৰালী

*Contd.*

(খ) অসমীয়া ভাষাৰ তৃতীয় পুৰুষৰ সম্বন্ধবাচক পুৰুষ বিভক্তিৰ উদাহৰণ হ'ল

(i) এৰ

(ii) এৰা

(iii) ক

(iv) ৰী

(গ) অসমীয়া ভাষাত ব্যাকৰণসিদ্ধ লিঙ্গ নাই, কিয়নো —

(i) অসমীয়া ব্যাকৰণত লিঙ্গৰ বিষয়ে আলোচনা পোৱা নাযায়

(ii) লিঙ্গ বিষয়টো অসমীয়া ব্যাকৰণৰ বিষয় নহয়

(iii) অসমীয়া ভাষাও লিঙ্গ ব্যাকৰণে নিৰ্ণয় কৰিব নিদিযো

(iv) লিঙ্গৰ ভিন্নতা অনুযায়ী অসমীয়া ভাষাত ক্ৰিয়া-পদৰ সলনি নহয়

(ঘ) দ্বি-স্বৰবৰ্ণযোৰ হ'ল

(i) অ, আ

(ii) ই, ঈ

(iii) ঐ, ঔ

(iv) উ, ঊ



(ঙ) সৰ্গবোৰক ব্যৱহাৰৰ স্থান অনুযায়ী ভাগ কৰা হৈছে

(i) ২ টা ভাগত

(ii) ৩ টা ভাগত

(iii) ৪ টা ভাগত

(iv) ৫ টা ভাগত

(চ) 'Structure of Assamese' গ্ৰন্থৰ প্ৰণেতা

(i) উপেন্দ্ৰনাথ গোস্বামী

(ii) কালিৰাম মেধি

(iii) গোলোকচন্দ্ৰ গোস্বামী

(iv) বাণীকান্ত কাকতি

(ছ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা হ'ল

(i) ২১টা

(ii) ২০টা

(iii) ২৩টা

(iv) ২৪টা

(জ) 'জহ', 'খং', 'কাবৌ'—এই শব্দ কেইটা কোনটো ভাষাৰ পৰা অহাৰ?

*(i)* বড়ো

*(ii)* খাছী

*(iii)* টাই-আহোম

*(iv)* চাওতালী

(ঝ) অসমীয়া ভাষাত কোনে প্ৰথমে ব্যাকৰণ লিখিছিল?

*(i)* হেমচন্দ্ৰ বৰুৱা

*(ii)* উপেন্দ্ৰনাথ গোস্বামী

*(iii)* গোলোকচন্দ্ৰ গোস্বামী

*(iv)* কালিৰাম মেধি

(ঞ) অসমীয়া ভাষাৰ নাসিক্য ধ্বনি কেইটা?

*(i)* তিনিটা

*(ii)* দুটা

*(iii)* পাঁচটা

*(iv)* এটা



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত থকা *দুটা* মৌলিক পাৰ্থক্য লিখা।

(খ) অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয় প্ৰধানকৈ কেইটা আৰু কি কি?

(গ) সমাপিকা আৰু অসমাপিকা ক্ৰিয়া কাক বোলে?

(ঘ) উদ্দেশ্য আৰু বিধেয় কাক বোলে?

(ঙ) সঘোষ আৰু অঘোষ ধ্বনি কাক বোলে?

(চ) ঐতিহাসিক ব্যাকৰণ কাক বোলে লিখা।

(ছ) সৰল বাক্য আৰু মিশ্ৰ বাক্যৰ একোটাকৈ উদাহৰণ দিয়া।

৩। তলত দিয়া *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী এখন তালিকা প্ৰস্তুত কৰা।

(খ) কাৰক কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ বুজাই লিখা।

(গ) বাক্যৰ অৰ্থ পৰিৱৰ্তনত সুৰ লহৰ আৰু যতি চিনৰ ভূমিকা কি?

(ঘ) অসমীয়া ভাষাত লিঙ্গভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, বুজাই লিখা।

(ঙ) খণ্ডবাক্য আৰু বাক্যাংশ কাক বোলে?

(চ) অসমীয়া ভাষাত ব্যৱহৃত অনিৰ্দিষ্টবাচক প্ৰত্যয়সমূহৰ বিষয়ে চমুকৈ লিখা।

(ছ) ধাতু বুলিলে কি বুজা? ই কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকবিধৰ বিষয়ে চমুকৈ লিখা।

(জ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ কোনবোৰ বিষয় ব্যাকৰণগত, চমুকৈ আলোচনা কৰা।

(ঝ) অসমীয়া ভাষাৰ বহুবচনাত্মক প্ৰত্যয়সমূহ উল্লেখ কৰি উদাহৰণসহ ইয়াৰ প্ৰয়োগ দেখুওৱা।

(ঞ) অসমীয়া ভাষাত তিব্বত-বৰ্মী ভাষাৰ উপাদান সম্পৰ্কে আলোচনা কৰা।

৪। তলত *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) পদৰ যোগ্যতা কাক বোলে? বাক্যত কেনেকৈ পদৰ যোগ্যতা নিৰ্ণয় কৰিব পাৰি? আলোচনা কৰা।



(খ) 'অসমীয়া ভাষাৰ প্ৰত্যয়' সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(গ) ক্ৰিয়াপদ কাক বোলে? ইয়াৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি? এখন তালিকা প্ৰস্তুত কৰি ধ্বনিগুণ বিচাৰ কৰাঁ।

৫। তলত *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(খ) বাক্য কাক বোলে? অৰ্থ আৰু গঠনৰ ফালৰপৰা বাক্যক কেইটা ভাগত ভগাব পাৰি আৰু কি কি? প্ৰতিটো ভাগৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ উৎসসমূহৰ বিষয়ে আলোচনা কৰা।